# চতুৰ্থ অধ্যায়

## ৪.০১ লোক সাহিত্য

যি লোক বা মানুহৰ দ্বাৰা ৰচিত সেয়েই লোক সাহিত্য। ই লিখিত সাহিত্য নহয়। এই সাহিত্য লিখিত ছপা হোৱাৰ বহু বছৰৰ পূৰ্বে মানুহৰ মুখে মুখে ৰচিত আৰু প্ৰচাৰিত হৈ আহিছে। গাঁৱৰ সাধাৰণ নিৰক্ষৰ চহা লোকসকল ইয়াৰ জন্মদাতা আৰু তেওঁলোকৰ মাজতে ই প্ৰচলিত হৈ সংৰক্ষিত হৈ আছে। এই শ্ৰেণী সাহিত্য কেৱল জনসাধাৰণৰ উপলব্ধি, অভিজ্ঞতা, আৰু অনুভৱৰ স্বতঃস্ফুৰ্ত পকাশ। ইয়াৰ কোনো ৰচয়িতা নাই। মুখে মুখে প্ৰচলিত বাবে এইবিধ সাহিত্যক মৌখিক সাহিত্য বুলিও কোৱা হয়। লোক সাহিত্য যিকোনো জাতি বিশেষেৰে সাংস্কৃতিক সম্পদ। অক্ষৰৰ জ্ঞান নথকাৰ বাবেই তেতিয়াৰ লোক সমাজে তেওঁলোকৰ এই সৃষ্টিৰাজিক লিপিবদ্ধ কৰিব পৰা নাছিল, সেইবাবেই এইবোৰ মানুহৰ স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই যুগ যুগ ধৰি জনসমাজত চলি আহিছিল। সাধাৰণতে বিহুগীত, বিয়ানাম, মহোহো গীত, হুচৰি গীত, বনগীত, আইনাম, দেহ বিচাৰৰ গীত, টোকাৰী গীত, আদি মালিতা, কিংবদন্তী প্ৰবাদ-প্ৰবচন, ফকৰা, যোজনা সাঁথৰ, সাধুকথা, ইত্যাদি লোক সাহিত্যৰ অন্তৰ্গত। যদিও এইবোৰৰ লিখিত ৰূপ পোৱা নাযায় তথাপি কিন্তু এইবোৰ ভাষাৰ সম্পদ।

লোক সাহিত্যৰ গভীৰতাৰ বিষয়ে ক'বলৈ গৈ কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে কৈ গৈছে যে শিপাই যেনেদৰে মাটিৰ তলত থাকি গছ এজোপাক সাৰপানী যোগাই পত্ৰ-পল্লৱেৰে সজীৱ আৰু সক্ৰিয় কৰি ৰাখে, ঠিক তেনেদৰে লোক সাহিত্যয়ো সকলো দেশৰ সাহিত্যক তেনেদৰে সজীৱ কৰি ৰাখে।

লোক সাহিত্য যিহেতু নিৰক্ষৰ চহা হোজা মানুহৰ স্বতঃস্ফূৰ্ত প্ৰকাশ ভংগী সেয়ে ইয়াত মানুহৰ আবেগ অনুভূতি, অভিজ্ঞতা, আদিৰ মূৰ্ত প্ৰকাশ ঘটে। যিমানে অনুভূতি বাঢ়ি যাব সিমানে মানুহৰ মনত আবেগে দোলা দি যায়। আবেগ যেতিয়া উপচি পৰে মনৰ দুকুল তেতিয়া কথাবোৰে কবিতা আকাৰে ধৰা দিয়ে আৰু কবিতাবোৰ হৈ পৰে একো একোটা গীতৰ মাধুৰী। এইবোৰ সৰল জীৱনৰ স্বচ্ছ-সৰল ছবিবোৰ ফুটি উঠা।

লোক সাহিত্যৰ এটা প্ৰধান লক্ষণ হৈছে সৰলতা। ভাযাৰ স্বচ্ছতা, ভাষাৰ সৰলতা আৰু শব্দৰ কোমলতা গীতি সাহিত্যৰ মূল বস্তু। লোক সাহিত্য জনসাধাৰণৰ সম্পদ। ইয়াত জটিলতাৰ চাপে অকনো নাই। বিষয়বস্তু যেনেকুৱা হয় ঠিক তেনেদৰে ভাষাই সাজ-পৰিধান কৰে। ইয়াৰ ৰচনাভঙ্গীও সহজ সৰল।

লোক সাহিত্যৰ আন এটা প্ৰধান লক্ষণ হৈছে নৈব্যক্তিকতা। লোক সাহিত্যৰ মানিকী-মাধুৰী জহাৰে যিকোনো সাহিত্যৰ ভৰাঁলেই মেটমৰা হৈ উঠিব পাৰে। কিন্তু ক'তো লেখকৰ নাম উল্লেখ পোৱা নাযায়। সামুহিক জীৱনৰ আৱেগ অভিব্যক্তি হিচাপে, এইবোৰেই ব্যক্তি জীৱনৰ অনুভূতি স্বীকৃত হয়।

সৃজনীমূলক সাহিত্যে সাধাৰণতে মনোধৰ্মী হয়। লোক সাহিত্যৰো সৃষ্টিধৰ্মী অংশটোত আদিম জন সমাজৰ মানসিক জগতখনৰ স্পষ্ট প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। বিশেষকৈ সাধুকথা আৰু গীতখিনিত ইয়াৰ প্ৰাচুৰ্য্য অধিক।

লোক সাহিত্য সামাজিক জীৱনৰ বুৰঞ্জী। বুৰঞ্জীৰ পাতত অনেক সময়ত ৰজা মহাৰজাৰ প্ৰৱল প্ৰতাপৰ বিৱৰণীহে থাকে, সামাজিক জীৱনৰ বিষয়ে একো কথা পোৱা নাযায়। কিন্তু লোকসাহিত্যৰ অন্তৰ্গত আটাইখিনি বিষয়বস্তুৰ মাজেৰে সামাজিক জীৱনৰ অন্ধবিশ্বাস, লোক বিশ্বাস, ৰীতি-নীত, ধৰ্ম, মানসিক পৰিসৰৰ বিষয়ে পুংখানুপুংখভাৱে জানিব পাৰি।

লোক সাহিত্যৰ আৰু এটা লক্ষণ হ'ল বিশ্বজনীনতা। সকলো গীততে বা সাহিত্যৰ অন্যান্য অংশত এই লক্ষণটো আৰোপ কৰিব নোৱাৰিলেও বহুতো প্ৰবচন, সাধুকথা আৰু লোক বিশ্বাসত আন্তৰ্জাতিক ঐক্যৰ সুৰ শুনিবলৈ পোৱা যায়।

লোক সাহিত্যত যদিও কোনো অলংকাৰৰ ধৰাবন্ধা নিয়ম নাই সেইবুলি কাব্যিক সৌন্দৰ্যৰ পৰশ নপৰাকৈ থকা নাই। ছন্দ, চিত্ৰকল্প, অলংকাৰ আদিত লোক সাহিত্য চহকী। এখন গাঁৱৰ নিজান পৰিবেশত এজন স্বভাৱ কবিয়ে যি দেখে, যি উপলব্ধি কৰে, তাকেই তেওঁ প্ৰকাশ কৰে। সেইখিনি কৰিবলৈ যাওঁতে প্ৰাকৃতিক পৰিবেশটো সজীৱ হৈ উঠে। ইয়াৰ প্ৰাকৃতিক পৰিবেশটো সজীৱ হৈ উঠে। ইয়াৰ বাহিৰেও গীতি সাহিত্যৰ যি ৰস আৰু অনুভূতিৰ প্ৰাচুৰ্য্য সেইখিনি ইয়াত দেখা যায়।

লোকসাহিত্যত সময়ৰ আচোঁৰ, যুগৰ সাঁচ পৰা দেখা যায়। মানুহৰ যি সভ্যতা, সংস্কৃতি তাতেই লোক সাহিত্যৰ সৃষ্টি কঠিয়াতলী। কেৱল মুখ বাগৰি অহাৰ বাবে যুগৰ আঁচোৰ পৰিছে। বহু সময়ত বুৰঞ্জী ঘটনাৰো প্ৰভাৱ পৰা পৰিলক্ষিত হয়। লোকগীতবোৰ সামুহিক আবেগৰ সৃষ্টি, সেইবাবে ইয়াৰ ৰচনাৰ সময় অনুমান কৰিব নোৱাৰি। আনহাতে লোক সাহিত্যৰ নৈব্যক্তিকতায়ো ইয়াৰ সঠিক সময় ঢাকি ৰখাত সহায় কৰিছে।

লোক সাহিত্য-সমষ্টিধৰ্মী কিন্তু আধুনিক সাহিত্য ব্যষ্টিমুখী। যদিও লোক সাহিত্যক সমাজৰ উমৈহতীয়া সৃষ্টি বুলি ধৰা হয় তথাপিও কিন্তু তাৰ ৰচনা গুৰিতে এজন মাথোন ব্যক্তি থাকে।

লোক সাহিত্যৰ দিশত মায়ঙৰ অঞ্চল পিছপৰা নহয়। যিহেতু এই ঠাইখন বিভিন্ন জনগোষ্ঠী অ-জনগোষ্ঠীৰ বাসস্থান। গতিকে এই জনগোষ্ঠী সমূহৰ যেনেকৈ নিজা সংস্কৃতি আছে ঠিক তেনেকৈ মৌখিক বা লোক সাহিত্যত আছে। আদিম যুগৰে পৰা মানুহে তেওঁলোকৰ ভাৱ অনুভুতি গীত-মাত, নৃত্য আদিৰ মাজেদি প্ৰকাশ কৰি আহিছে। সেই ফালৰ পৰা মায়ঙৰ লোক সাহিত্য চহকী।

অসমৰ অন্যান্য ঠাইৰ দৰে মায়ঙৰ লোক সাহিত্য আমি (ক) লোকগীত (খ) ফকৰা যোজনা, সাঁথৰ-প্ৰবচন আৰু (গ) সাধু কথা এই কেইটা দিশতে পাওঁ।

## ৪.০২ লোকগীত ঃ

(ক) লোকগীত সমূহত ব্যক্তিগত আৰু সামুহিক ভাৱ অনুভুতি প্ৰকাশৰ উপৰিও গাৱঁৰ মানুহে জন্মৰে পৰা মৃত্যুলৈকে পালন কৰা বিভিন্ন ধৰ্মীয় আচাৰ অনুস্থান আদি পৰিৱেশনৰ সুন্দৰ বৰ্ণনা পোৱা যায়। তাৰে ভিতৰত কিছুমান গীত অনুষ্ঠান মূলক গীত আছে। সেইবোৰৰ ভিতৰত প্ৰধান হৈছে বিয়ানাম, বিহুনাম, ভেকুলী বিয়া নাম। বিয়া উপলক্ষে বিভিন্ন সময়ত বিভিন্ন পৰিৱেশত ৰজিতা খুৱাই বিয়ানামবোৰ গায়। পানী তোলা, দৰা কইনা গা ধুউৱা, সুৱাগুৰি তোলা আদি বিভিন্ন সময়ৰ লগত ৰজিতা খুৱাই গোৱা গীত মায়ঙত পোৱা যায়। বিয়াবিলাকত জোকাই গোৱা গীত মায়ঙত পোৱা যায়। বিয়াবিলাকত জোকাই গোৱা গীত অৰ্থাৎ নিদাগীত গাই ফূৰ্তি তামচা কৰা হয়। বিয়াৰ দিনা ৰাতিপুৱা দৈয়ন দিয়া বিয়া নামৰ এটা উদাহৰণ তলত দিয়া হ'ল -

সুবৰ্ণ শয্যাতে শুই আছে আইদেউ
ই কথা মনত নাই ৰাম জানকি।
লাখৰ বাখৰ কৰি আইদেউৰ বৌয়েকে
আইদেউক জগোৱাগৈ ৰাম জানকি।
এটা বাতিতে লাৰু পানে পাতে
এটা বাতিতে দৈ ৰাম জানকি।

আইদেউক দৈয়ন দিব মাকে আহিছে
মাথাতে ওৰনি লৈ ৰাম জানকি।
সোনাৰিৰ ঘৰৰে ৰূপৰে কটাৰী
গোৱালীৰ ঘৰৰে দৈ ৰাম জানকি।
প্ৰভাত সময়ে মাকে দৈয়ন দিয়ে
সিংহ দুৱাৰতে থৈ ৰাম জানকি।

ঠিক সেইদৰে আকৌ পানী তোলাৰ সময়ত গোৱা গীতও সুকীয়া যেনে-

অ শয়ন পানি তুলিবলৈ
অ শয়ন ওলাইছে দৈৱকী
শয়ন কি ঐ ৰাম
ৰূপৰে ধূলে লগায়।
অ শয়ন গায়ন বায়ন কৰি
শয়ন কি ঐ ৰাম
ঢুলিয়াই ঢাকে ঢোল বায়।
অ শয়ন আগতে গৈছে
অ শয়ন গায়নে বায়নে
শয়ন কি ঐ ৰাম
মাজতে দৈৱকী মাও।
অ শয়ন ৰুণুজুনু কৰি
অ শয়ন বাজিছে নুপুৰে

শয়ন কি ঐ ৰাম
তিয়ঁহৰ জালি যেন পাওঁ।
অ শয়ন ৰিনিকি ৰিনিকি
অ শয়ন দেখিছো যমুনা
শয়ন কি ঐ ৰাম
বৈ আছে কদমৰ তলে।
অ শয়ন সৰুনৰ গৰতে
অ শয়ন বৰুন বহি আছে
শয়ন কি ঐ ৰাম
দিয়েকি নিদিয়ে কলে।
অ শয়ন সলনি দুলনি
অ শয়ন দলি পেৰালি
শয়ন কি ঐ ৰাম
ৰাইজৰ ভৰিহাত ভাঙে
অ শয়ন কইনাৰে বাপেকে
অ শয়ন তেওঁ নপতিয়াই
শয়ন কি ঐ ৰাম দুৰনিৰ পানি
অ শয়ন বাট হ'ল ঘুৰনি
শয়ন কি ঐ ৰাম
কত বা যমুনাৰ নৈ

অ শয়ন ফেনে ফু'তুকাৰে

অ শয়ন কুলু কুলু কৰি

শয়ন কি ঐ ৰাম

আছে বিধে বিধে বৈ।

ইয়াৰ উপৰিও মায়ংত ভেকুলী বিয়া পতা নিয়মো আছে, আৰু সেই অনুসৰি সেই সম্পৰ্কীয় গীতবোৰো আছে। বহুদিন খৰাং হ'লে বৰষুণ কামনা কৰি ভেকুলী বিয়া পাতে। ঠায়ে-ঠায়ে বিশেষকৈ ৰজামায়ংত ভেকুলী বিয়াক দালি পুতুলী বিয়া বুলি কয়। দালি পুতুলিৰ বিয়া পাতিলে বৰষুণ হয় বুলি এটা লোক বিশ্বাস আছে। দালি পুতুলি বিয়াৰ গীতৰ এটা নমুনা তলত দিয়া হ'ল -

দালি পুতলিৰ বিয়া, জাকে বৰষুণে দিয়া ও

সাৰিকানক, বাৰিকান, জাকে বৰষুণে খোন্দিয়াই

.. ... ...., . . . . . .

.... ... .... . . . . .

উৰি গ'লে হংস চৰাই পৰি ৰ'লে পাখি

দুয়ো কালৰ মাজত ৰামক, কোনে থৈছে ৰাখি।

এইদৰে নানা ধেমালীৰ মাজেৰে ল'ৰাছোৱালীবোৰে ৰাতিটো বিয়াৰ নামত উজাগৰে থাকি ৰং ৰইহচ কৰে।

আনহাতে নিন্দা নামে বা কিছু কিছু ঠাইত যোৰা নাম বুলি কোৱা গীতেৰে দৰাঘৰৰ লগত কইনাঘৰৰ ছোৱালী ধেমালী কৰা দেখা যায়। কইনাঘৰৰ নামতীয়ে গায় -

কল ঘৰৰ এছোৱা দৰাঘৰৰ নামতিৰ

কোলাত কান্দে কেচুৱা

উত্তৰত দৰাঘৰৰ নামতিয়ে গায় -

এ মানে এচুৱা কে মানে কেচুৱা

গাখীৰ পানী খুৱাই দিম

লবা নেকি এছোৱা।

এইদৰে নানা ফুৰ্তি তামচাৰে ৰভাঘৰ ৰজনজনাই থাকে।

বিয়ানামৰ দৰে অসমৰ অন্যান্য ঠাইৰ দৰে মায়ঙতো বিহুগীতৰ প্ৰচলন আছে। গীতবোৰত ডেকা-গাভৰুৰ অন্তৰৰ প্ৰেম ভাৱ প্ৰকাশ পাই যদিও তাৰ মাজতে ঠাইখনৰ সামাজিক, প্ৰাকৃতিক আৰু ধৰ্মবিষয়ক চিত্ৰও প্ৰকাশ পোৱা দেখা যায়।

ইয়াৰ উপৰিও কিছুসংখ্যক ভক্তিমূলক গীতো ইয়াত প্ৰচলিত হোৱা দেখা যায়। এনে গীতবোৰৰ ভিতৰত আইনাম, অপেশ্বৰী সবাহৰ নামে, গৰখীয়া নাম, গোহালি ঘৰৰ নাম ইত্যাদি।

আইনামতো ভিন ভিন সময়ত বেলেগ বেলেগ গীত পৰিৱেশন কৰা হয়। যেনে - আসন পতাৰ সময়ত গোৱা গীত এটাৰ নমুনা হ'ল -

আসন পাতা আসন পাতা ঔৰে গুৱালনি

নিলাচলৰ ভগোৱতি আহি বহিচে আপুনি

ঠাই মচি সত্ৰ পাৰি সজাই থৈছো আসন

আসনৰ ওপৰে থাকে সকল আইৰে বাসন

ধূপে ধূনা নোবোদকে পাতো সাৰি সাৰি

আপুনাৰ লন্ত পূজা জগতৰ জননি
আসনৰ চৌপাশে বন্তি জ্বলায়
তাতে আহি ভগুৱতি আসনে বহিচে।
আসনৰ চৌপাশে ফুলিছে শেৱালি
তাতে আহি সকল আয়ে পাতিছে ধেমালি।
আসনৰ চৌপাশে এ ফুলিছে দগৰ
তাতে আহি ভগোৱতি ভাঙিছে জগৰ
আসনতে দিয়ে থৈছো এচম্পা নাগেশ্বৰ
মূল মূলাই গোন্ধাই আছে আসনৰও ওপৰ।

আই নামৰ উদাহৰণ -

মায়াপি আয় মায়া ধৰি পূজা খায়
মায়াপি আয়ৰে সাতোটি বনিয়েক
তাৰে কিযে কিযে নাম
হেমন্তি, শ্ৰেমন্তি, শিতলি, পাতলি
আয়ে গুটি মালি নামে
বুৰতি নদিতে আয়ে গাৱ ধুইছে
লাহৰ চুলি দাৰি মেলি
লাহৰ চুলি কৰি কুকিলা গামোচা
আয়ে কলিকতা পিৰা
আয় নাম নিৰোগি

গাঁথে সৰু মুহি

গাতে গুটি গুৰা ৰিহা

আয় ভাত ৰান্ধনি

থৈছে সৰু ভনি

ভূজন বা কিহেৰে কৰে

বিলৰ মূৰা মাছে

ছালৰ জালি লাওঁৰে

তাৰেহে আয় ভূজন কৰে

আয় সৰনিয়া কেচা বৰনিয়া

পাৰত থৈ যাবা চুলি

ইপাৰে সিপাৰে গায় সৰনিয়া

লোককো নিদিবা এৰি।।

আকৌ আই নামৰ সামৰণিও আছে। সামৰণিত আয়ক কেনেদৰে পূজা কৰিলে তুষ্ট হ'ব তাৰ সুন্দৰ বৰ্ণনা পোৱা যায়। যেনে -

আয়মতি ভগোৱতি এই নামে সন্তোষ হইবা

ঠাই মচি পত্ৰ পাৰি সজাই থৈছো আসন

আসনৰ ওপৰে আচে সকল আইৰে বাসন

পত্ৰ পাৰি পুজিম আয়কে

কেনজুল মচি যায়

বন্তি দিয়ে পুজিম আয়কে

ৰখাই কৰয় ছায়

ধূপে দিয়ে পূজিম আইকে

গুন্ধে উৰি যায়।

পান দিয়ে পূজিম আয়কে

মকৰাই ছাতি যায়

তামোল দিয়ে পুজিম আইকে

আপুনাতে আছে

জলদিয়ে পূজিম আইকে

মৎসে বিতাল কৰে

মূল্য দিয়ে পুজিম আইকে

আপুনাতে আছে

প্রসদে দিয়ে পুজিম আয়কে

চকাই বেৰি খায়

ফুল দিয়ে পুজিম আয়কে

ভূমৰাই চুহি খায়

দুগ্ধ দিয়ে পুজিম আয়কে

দামৰিয়ে খায়

বস্ত্র দিয়ে পুজিম আয়কে

সাতৰে সিজায়

মন দিয়ে পুজিম আয়কে

মনে নাহিকে থিৰে

চিত্ত দিয়ে পুজিম আয়কে পাপে জনজৰিয়ে

যি দ্ৰব্যই পুজিম আয়কে

সকল দ্ৰব্যই চুৱা

হৰি নাম পুজিম আয়কে

গধুলি পুৱা

সৰু সুৰ ঘৰ সনি

বকুল ফুলৰ কামি

আয় সকলৰ সেৱা পূজা

নেজানিলো আমি

দূন পুষ্প আনি আৰু গঙাৰ পানি

ইমানতে সন্তোষ হইবা

জগতৰ জনানি

বিলায় দিয়া নিৰ্মালি

মাথায় তুলি লোৱা

বিলায় দিয়া প্ৰসাদ

হাতে পাতি লোৱা।

এনেদৰে সামৰণি পদ গোৱাৰ পাছত আকৌ বিদায়ৰ গীত এফাঁকি গায়।

যেনে-

বিদায় দিয়া বুঢ়ি আই ভগোৱতি কেচাঁ খাইটি গোপিঘৰে যাওঁ

বিদায় দিয়া শিতলি পাতলি গোপি ঘৰে যাওঁ

বিদায় দিয়া হেমন্তে, শ্ৰেমন্তি, ফুলেশ্বৰী আয় গোপি ঘৰে যাওঁ
বিদায় দিয়া সাত ভনি এভনি সহস্ৰ ভনি গোপিঘৰে যাওঁ।

এইবুলি বিদায় লৈ গোপিনী সকল ঘৰাঘৰি যায়। ঘৰত বসন্তাৰোগ দেখা দিলে সেইৰোগৰ অধিষ্ঠাত্ৰী দেৱী আইসকলক আসন পাতি সবাহৰ নাম গালে আইসকলে সন্তুষ্ট হয় আৰু তেওঁলোকে বসন্ত ৰোগ ভাল কৰে বুলি অসমৰ অন্যান্য ঠাইৰ দৰে মায়ং অঞ্চলৰ ৰাইজেও বিশ্বাস কৰে। এই অঞ্চলৰ আইনামৰ লগত উজনি অঞ্চলৰ প্ৰচলিত আইনামৰ সাদৃশ্য লক্ষ্য কৰা যায়। মাথো ভাষাহে কিছু তাৰতম্য দেখা যায়। লালুং সকলৰ মাজতো আইনামৰ প্ৰচলন আছে। তেওঁলোকৰ আই জকে আৰু তেতিয়া ভূত ভবিষ্যতৰ কথা ক'ব পাৰে।

আইনামৰ দৰে আৰু এবিধ ভক্তিমূলক গীত হ'ল অপেশ্বৰী সবাহৰ গীত। কেচুৱা ল'ৰা ছোৱালী শুকাই খীণাই গ'লে অপেশ্বৰাৰ দোষে পাইছে বুলি আনুষ্ঠানিক ভাৱে অপেশ্বৰাৰ সবাহ পতা হয়। আই বা অপেশ্বৰাক দেৱী মহামায়া বা পাৰ্বতীৰ অন্যৰূপ বুলি গীতত কল্পনা কৰি বন্দনা গোৱা হয়।

মায়ং অঞ্চলৰ এক বৈশিষ্ট্যপূৰ্ণ ভক্তিমূলক গীত হ'ল গৰখীয়া নাম। সাধাৰণতে ল'ৰাৰ অসুখ হ'লে জ্যোতিষীক দেখুৱাই বা মঙল চাই কোৱা হয় যে ল'ৰাটোৱে গৰখীয়াৰ আৰ্শীবাদ ল'লে বেমাৰ ভাল হয়। তেতিয়া এটা শুভ দিনত মঙল চাই কোৱা বাৰ অনুসৰি বিশেষকৈ মঙলবাৰ বা শনিবাৰে এই নামভাগৰ আয়োজন কৰা হয়। সেই উপলক্ষে পাঁচজন, সাতজন বা নজন পাঁচৰ পৰা আঠ দহ বছৰীয়া গৰখীয়া ল'ৰাক নিমন্ত্ৰন কৰা হয়। নামত আগবঢ়াবৰ বাবে চাউল আৰু মাটিমাহ ভাজি গুৰি কৰি মিঠৈ সানি লাৰু বনোৱা হয়। নামৰ খলীতে লাডুৰ উপৰি এখন শৰাইত ফুল তুলসী আদি ৰখা হয়। নামৰ অন্তত গৰখীয়া কেইজনক এডালকৈ এচাৰি অলপ পইচা আৰু লাৰু দিয়া হয়।

আকৌ গৰুৰ বেমাৰ হ'লে গৰখীয়া জিৰণি লোৱা গছৰ তলত নৈবদ্য দি গীত গাই-গৰুৰ আশু আৰোগ্য কামনা কৰি গীত গৰখীয়া সবাহৰো ইয়াত প্ৰচলন আছে। লোক বিশ্বাস অনুসৰি এনে কৰিলে গৰুৰ বেমাৰ ভাল হয়।

অসমৰ অন্যান্য অঞ্চলত প্ৰচলিত দেহবিচাৰৰ গীত আৰু টোকাৰী গীতো মায়ঙৰ প্ৰচলিত হৈ আছে। দেহ বিচাৰৰ গীত হৈছে দেহতত্বমূলক গীত। দেহৰ ক্ষনস্থায়িত্ব, আত্মাৰ-অবিনশ্বৰতা, কাম-ক্ৰোধ, লোভ-মোহ আদিৰ প্ৰভাৱ আদিয়েই হৈছে দেহবিচাৰৰ গীতৰ মূল বিষয়বস্তু। গীতবোৰত প্ৰতীকৰ মাধ্যমেদি বিশেষকৈ দেহটোক ঘৰ নাও, গছ আদি প্ৰতীকৰ সহায়ত উপলব্ধি কৰিবলৈ প্ৰয়াস কৰা হৈছে। সংসাৰৰ সহায়ত উপলব্ধি কৰিবলৈ, প্ৰয়াস কৰা হৈছে। সংসাৰৰ অনিত্যতা আৰু অখণ্ডতাই দেহ বিচাৰৰ গীতত প্ৰাধান্য লাভ কৰিছে। মায়াত আৱদ্ধ মানুহে ইহকাল পৰকালৰ কথা পাহৰি সাংসাৰিক আকৰ্ষন তথা দম্ভ অহংকাৰত মত্ত হৈ থাকে আৰু ঈশ্বৰলৈ পিঠি দিয়ে। ফলত দুখ যন্ত্ৰনা ভোগ কৰিব লগীয়া হয়। দেহ বিচাৰ গীতৰ পাতিপাদ্য বিষয় হৈছে দেহতেই চৈধ্য ব্ৰহ্মাণ্ড আছে। ই হ'ল ব্ৰহ্মাণ্ডৰেই এটি ক্ষুদ্ৰ সংস্কৰণ। মায়ঙত এই দেহবিচাৰৰ গীত প্ৰচলন হোৱা দেখা যায়। তেনে এটা দেহবিচাৰ গীত হ'ল –

ব্ৰহ্মাণ্ডৰ ভিতৰে চৰিয়াৰে পানী
পিপৰাই সাতুৰি মৰে
দেৱতা কৰন্দি মানিসে আচাৰে
পাপিনো কি মতে তৰে
আলি চাকি চাকি
ময় পানি ৰাখিলো

বহুতে মাৰিলে মাছ

হাতখন পাতিলো বেহাব নাপালো

কালে ধৰি আছে পাছ।

গাছে কলি হৈলা গাছে হাৰি তেজ

লালিত বান্দি হৈলা মাখি

নাৰিত বান্দি হৈলা পুৰুষৰ ভোমোৰা

ধুৰত বন্দি হৈলা হাতি

তেলদি এৰালে গাছে হাৰি ডেকা

পানি দি এৰালে মাখি

গুৰু নাম চুমৰি পুৰুষ এৰালে

চিঙি এৰালে হাতি।

আমৰে নাখালো তিনি চকলা

জামৰে নাখালো ৰস

যমৰজা আগত কান্দি কান্দি কম

কাণে পাতেৰ নাপালো ৰস।

আকৌ গাইছে -

চৈধ্য সাক্ষী লৈয়া দেহে আছে দাপোদৰ,

ভাণ্ডিবা নোৱাৰিবা কিছু শুনা কলিৰ নৰ।

শুনা শৰীৰত আছে য'ত দেৱগন,

তাহাৰ নিৰ্ণয় কহো শুনা সাৱধান।
অক্ষিত আদিত্য নাকে অশ্বিনীকুমাৰ,
জিহ্জত বৰুন বাক্যে সহিব সঞ্চাৰ।
কৰ্ণে দিশ চৰ্ম্মে বায়ু ভূজে ইন্দ্ৰস্থিত,
মনত চন্দ্ৰমা বিধি আছন্ত বুদ্ধিত।
পদে বিষ্ণু ওহো মিত্ৰ লিহে পজাপতি,
হৃদিত আছন্ত মন কণ্ঠে সৰস্বতী।
এহি চৈধ্য দেৱ পূণ্য পাতকৰ সাক্ষী
ঈশ্বৰ পুৰুষে হৃদয়ত আছে দেখি।

দেহটোৰ ভিতৰতে কোনকে দেৱগন থিতাপি লৈ থাকে তাৰ সুন্দৰ চিত্ৰ এই গীতটোৰ মাধ্যমেদি প্ৰকাশ পাইছে।

আনহাতে টোকাৰীক বাদ্যযন্ত্ৰ হিচাবে লৈ পৰিৱেশন কৰা এবিধ দেহবিচাৰৰ গীতকে টোকাৰী গীত বুলি কোৱা হয়। এই টোকাৰী গীতৰো প্ৰচলন কম পৰিমানে হলেও মায়ং অঞ্চলত বিদ্যমান। এই গীতবোৰত তন্ত্ৰ আৰু দেহতত্ব চৰ্চাৰ প্ৰভাৱ মন কৰিবলগীয়া।

টোকাৰীগীতৰ ৰচকে টোকাৰীৰ সতে মানৱ দেহৰ সম্পৰ্ক বিচাৰি পাইছে। সেয়ে দেহমধ্যসহ ইড়া, পিঙ্গলা, চিত্ৰা আৰু সুযুন্না এই চাৰিগছি নড়ীৰ লগত টোকাৰীৰ চাৰিগুনৰ সাদৃশ্য স্থাপন কৰা হৈছে।

মায়ঙত কৰ্মবিষয়ক গীতৰ ভিতৰত ধাইনাম বা নিচুকনি গীত, নাওখেলৰ গীত, গৰখীয়া গীত আদিয়ে প্ৰধান যদিও বৰ্তমান ইয়াৰ ব্যৱহাৰ প্ৰায় নোহোৱাই হৈ আহিছে। মোবাইল, টি.ভি.ৰ ধামখুমীয়াত নিচুকনি গীতবোৰ যেন হেৰাই যোৱাৰ

উপক্ৰম হৈছে। অসমৰ অন্যান্য ঠাইত প্ৰচলিত নিচুকনি গীতবোৰৰ দৰেই ইয়াৰ গীতবোৰ।

আখ্যান মূলক গীতবোৰৰ ভিতৰত অসমৰ আন ঠাইৰ দৰে কমলাকুঁৱৰী গীত, জনাগাভৰুৰ গীত, মনিৰাম দেৱানৰ গীত, ফুল কোঁৱৰৰ আদি গীতেই প্ৰধানকৈ মায়ঙতো প্ৰচলন আছে।

## ৪.০৩ ফকৰা-যোজনা, সাঁথৰ-প্ৰবচন ঃ

অসমীয়া লোক সাহিত্যৰ একশ্ৰেণী মূল্যবান সম্পদ হৈছে ফকৰা-যোজনা, সাঁথৰ প্ৰবচন। ফকৰাই গভীৰ আৰু পাৰপাৰ্থিক অৰ্থবোধক নিৰ্দিষ্ট কথাক বুজায়। পুৰনিকালত ধৰ্মৰ গোপনীয়তা ৰক্ষা কৰা বা গাম্ভীৰ্য বৰ্দ্ধনৰ বাবে কিছুমান পাৰ্থিৱ তত্বপূৰ্ণ কথা আলোচনা কৰা হৈছিল। আচলতে ফকৰাবোৰ হৈছে গভীৰ অৰ্থময়তাৰে আওপকীয়াকৈ কথা কোৱাৰ ধৰণ। কেৱল ভকতীয়া সমাজত নহয় লোকজীৱনৰ বিভিন্ন স্তৰত বিভিন্ন উপলক্ষ্যত ফকৰাৰ ব্যৱহাৰ চালি আহিছে। ফকৰাবোৰ ধেমেলীয়া হ'লেও ই বুদ্ধিদীপ্ত। সেইবাবে ইয়াৰ অৰ্থ জটিল।

আনহাতে যোজনাৰ অভিধানিক অৰ্থ হ'ল সংযোজন কৰা বা লগ লগোৱা। ইয়াৰ দ্বাৰা এটা কথাই স্পষ্ট হয় যে য'ত ৰিজনি বা জোৰা লগালে খাপ খায় তাতহে যোজনা প্ৰয়োগ কৰা বেছি কাৰ্যকৰী। মায়ং অঞ্চলতো ফকৰা যোজনাৰ প্ৰচলন আছে। মায়ং অঞ্চলত প্ৰচলিত কেইটামান ফকৰা যোজনা হ'ল –

১। ওলাই দেখিবা যাক।

শতৰু নাভাবিবা তাক।

(অৰ্থঃ ওচৰ চুবুৰীয়াৰ লগত ভালে থাকিব লাগে।)

২।	আগদাত সৰে

জেউতিহে চৰে।

(বিপদ আহিলেও হতাশ নহৈ বেছি উৎসাহিতহে হোৱা অৰ্থত)

৩।	এঢলীয়া কাউৰীও নপৰে।

(অকলশৰীয়া মানুহক কোনেও আদৰ নকৰে)

৪।	হাঁহিছো মাতিছো বান্ধিছো কাল।

তেওঁ নুগুছে হৃদয়ৰ শাল।

(অৰ্থ ঃ ধেমালী কৰিলেও মনৰ পৰা বেয়া ভাৱ নাতৰা)

৫।	একোটি কইনা নটি দৰা

কিয় জোৱাই বৈ মৰা

(অৰ্থ ঃ বস্তু আছে এটা লওঁতা বহুতো।

গতিকে বস্তু পাবৰ বাবে গাধ খাটন দি লাভ নাই।

৬।	একে পুলি গৰ।

খটাহে গৰগৰ।

(অৰ্থ ঃ একেটা ঘৰতে বহু মানুহ আৰু বস্তু আছে। কিন্তু ওলোৱা সোমোৱাহে অসুবিধা।

সাঁথৰ লোক সাহিত্যৰ এটি আপুৰুগীয়া সম্পদ। সাঁথৰৰ অন্তৰ্নিহিত কথাবস্তুক ৰহস্যময়তাৰ কুঁৱলীৰে আবৃত্ত কৰি ৰখা হয়। সেয়ে ৰহস্যৰ জাল ছিন্ন কৰি সাঁথৰৰ অৰ্থ উপলব্ধি কৰিবৰ বাবে বিশেষ বুদ্ধিৰ প্ৰয়োজন।

সাঁথৰবোৰ বৃত্তগন্ধী আৰু অলংকাৰ আদিৰে পৰিপূৰ্ণ। অধিকাংশ সাঁথৰৰে ঘৰুৱা জীৱনৰ সৈতে সম্পৰ্ক আছে। সাধাৰণতে মানুহক আকৰ্ষন কৰিব পৰাটোও সাঁথৰৰ এক স্বাভাৱিক ধৰ্ম। মায়ংত প্ৰচলিত কেইটামান সাঁথৰ তলত দিয়া হ'ল -

১। আকাশত ঘৰ পাতালত ঘৰ
ওলাই ওলাই চাই হাজাৰ কোঁৱৰ।

উত্তৰ ঃ টোকোৰা চৰাইৰ বাঁহ

২। আমি বনালো পিঠা তুমি কিয় ভাঙিলা
আমি দিলো চিকুটি তুমি কিয় কান্দিলা

উত্তৰ ঃ মৌ বাঁহ

৩। জোপোহা শিপা, দেখাত সূতায়েই সূতা
সি কি শাক পাতটো গোটা।

উত্তৰ ঃ পিয়াজ

৪। ঠেহ পাতি বহি থাকে
চুব দিলে কান্দি উঠে।

উত্তৰ ঃ ৰেডিঅ'

৫। এক মাতৃৰ গৰ্ভে বহু পুত্ৰ স্থান
মাতৃৰ গালত আঘাত কৰি পুত্ৰই এৰে প্ৰাণ।

উত্তৰ ঃ দিয়া চলাই

৬। এবাৰ ৰুলেই আজীৱন হয়
ছিঙিলে সৰিলেও ক্ষয় নহয়

পাতেৰে ভৰা এইবিধ তৃণ

সকলো ভকতে সন্তোষ ভূঞ্জয়।

উত্তৰ ঃ পান গছ

৭। তিনি ফালে তিনি চুক

মাজতে খাল, মূৰত ধৰি টানিবলৈ ভাল

উত্তৰ ঃ জাকৈ

৮। দেখিলে লাগে নেদেখিলি নাই

আদখিনিমান পালাক যেথেন

মল্লু মল্লু কলাক তেথেন

গতেখিনি গেল যেথেন

মিচিকি কৰি হাঁহে তেথেন

উত্তৰ ঃ আঙুঠি

৯। মাৰ ভাই মোমাই

মোমাইৰ ভিনিহি কি হয় — উত্তৰ ঃ দেউতা

১০। ৰাতিয়ে সোমায়, ৰাতিয়ে ওলায়

দিনত বাপুৰে মত সলায়

মানুহ দেখিলে দৌৰি পলায়

সেইদিনাই তাৰ বিঘিনি মিলে। ইত্যাদি

উত্তৰ ঃ চোৰ

## ৪.০৪ সাধুকথা আৰু অন্যান্য ঃ

অসমৰ অন্যান্য ঠাইৰ দৰে মায়ঙতো মুখে মুখে প্ৰচলিত সাধুকথা কিংবদন্তী প্ৰচলন দেখা যায়। বহু সাধুতে অলৌকিকতাই ঠাই পোৱা দেখা যায়। বিশেষকৈ ইতিহাস প্ৰসিদ্ধ চৰিত্ৰ জোঙাল বলহুৰ লগত সংযুক্ত কিছু কিংবদন্তী ইয়াত প্ৰচলিত হোৱা দেখা যায়। বিশেষকৈ মায়ং অঞ্চলৰ কেইবাখনো গাওঁৰ নামৰ লগত এনে কিংবদন্তি জৰিত হৈ আছে। যেনে -

১। কাজলী চকী ঃ এই ঠাইখিনি জোঙাল বলহুৰ শ্ৰদ্ধাদি কাম কাজ কৰা বাবে ঠাইখনৰ নাম কাজলী চকী হয়। পিছত আহোম ৰজাই তাঁতে চকী পাতে।

২। বহা ঃ জোঙাল বলহু পলাই আহি এই গাৱত থকা পাহাৰত জিৰণি লোৱা বাবে ঠাইখনৰ নাম বহা হয়।

৩। ৰজামায়ং ঃ মায়ঙৰ ৰজা এই গাওঁখনত আছিল বাবে ঠাইখনৰ নাম ৰজামায়ং। উল্লেখ থাকে যে এই গাঁৱত এতিয়াও এটা ৰাজপৰিয়াল আছে।

৪। হিলৈখুন্দা ঃ হিলৈ, বৰটোপ, খাৰ বাৰুদ এই ঠাইত ৰখা বাবে নাম পালে হিলৈখুন্দা।

৫। হাতীগড় ঃ ৰজাই গড় দি হাতী ধৰি বছৰি এটাকৈ হাতী আহোম ৰজাক কৰ হিচাবে দিছিল। সেই অনুসৰি ইয়াৰ নাম হাতীগড়।

৬। বুঢ়ামায়ং আৰু ডেকামায়ং ঃ মাইবঙৰ পৰা ৰজা আহি মায়ং পাহাৰত বাস কৰিছিল। কিন্তু ৰাজ্য চলোৱা সুবিধাৰ অৰ্থে ভৈয়াম অঞ্চললৈ গ'ল। ৰজাই প্ৰথম বাস কৰা পাহাৰ অঞ্চলক বুঢ়ামায়ং আৰু ভৈয়াম অঞ্চলক ডেকা মায়ং বা ৰজামায়ং নামে জনা যায়।

৭। হাতীমুৰীয়া ঃ প্ৰবাদ আছে যে এবাৰ হাতী বৈঠ কৰোতে কাৰোবাৰ অভিশাপত হাতী শিলালৈ ৰূপান্তৰ হয়। শিলটো দূৰৈৰ পৰা হাতীৰ মূৰ যেন দেখি। সেই দেখি এই গাওঁখনৰ নাম হাতীমুৰীয়া। হাতীমুৰীয়াৰ দৰে কাছৰ আকৃতিৰ এটা শিল থকা পাহাৰখনৰ নাম কাছশিলা।

এনেদৰে গাঁৱৰ চুকে কোনে ভিন্ন জনৰ ভিন্ন কিংবদন্তিমূলক আখ্যান জানিব পাৰি।